জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪১৫/২০২০

## ৰাজ্যৰ ৭৬ খন পৌৰ সভালৈ ১১৪ খন স্কিড ষ্টিয়াৰ লডাৰ আৰু ১১৬ খন টিপাৰ বিতৰণৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

# গান্ধীজীৰ স্বচ্ছ ভাৰতৰ সপোন বাস্তৱায়িত কৰি, ৰাজ্যখনৰ প্ৰতিখন চহৰকে পৰিচ্ছন্নকৈ ৰাখি নগৰখনক নিজৰ স্বাভিমানৰ প্ৰতীক হিচাপে গঢ়ি তুলিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ জুন ঃ** "মহামানৱ মহাত্মা গান্ধীৰ স্বচ্ছ ভাৰতৰ সপোন বাস্তৱায়িত কৰি, নগৰবাসীৰ সহযোগত ৰাজ্যখনৰ প্ৰতিখন চহৰকে পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখি নগৰখনক নিজৰ আত্মসন্মান আৰু স্বাভিমানৰ প্ৰতীক হিচাপে গঢ়ি তোলাৰ বাবে প্ৰতিখন পৌৰসভা আৰু নগৰ সমিতিয়ে সঁচা আন্তৰিকতাৰে কাম কৰিব লাগিব" — আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত নগৰ উন্নয়ন বিভাগৰ অধীনস্থ পৌৰ প্ৰশাসন সঞ্চালকালয়ৰ সৌজন্যত ৰাজ্যৰ পৌৰসভাসমূহলৈ স্কিড ষ্টিয়াৰ লডাৰ আৰু টিপাৰ বিতৰণ উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। উল্লেখযোগ্য যে আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ সাধাৰণ এলেকাত অৱস্থিত ৭৬ খন পৌৰ সভালৈ ১১৪ খন স্কিড ষ্টিয়াৰ লডাৰ আৰু ১১৬ খন টিপাৰ বিতৰণৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'স্বচ্ছতা হি সেৱা' আৰু 'য'ত পৰিষ্কাৰ, ত'তেই সংস্কাৰ' মন্ত্ৰক সাৰোগত কৰি তথা স্বচ্ছ ভাৰত অভিযানক সাকাৰ ৰূপ দি অসমৰ প্ৰতিখন চহৰ-নগৰ পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাৰ ক্ষেত্ৰত ৰাজ্যৰ নগৰ উন্নয়ন বিভাগে আৰম্ভণিৰে পৰা কাম কৰি আহিছে। বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ বিশেষ তৎপৰতাত অসমৰ প্ৰতিখন চহৰৰ আৱৰ্জনা পৰিষ্কাৰৰ বাবে আধুনিক আৰু বিজ্ঞানসন্মত যন্ত্ৰপাতি বিতৰণৰ উদ্দেশ্যে আজিৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই পদক্ষেপৰ বাবে নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী পীযুষ হাজৰিকা আৰু বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰি এই যন্ত্ৰসমূহ লাভ কৰা ৰাজ্যখনৰ প্ৰতিখন পৌৰসভাই জনসাধাৰণৰ সহযোগত ইয়াৰ সুপ্ৰয়োগ কৰি নিজৰ চহৰখনক এখন আদৰ্শ চহৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

চহৰৰ জনসাধাৰণে যাতে দৈনন্দিন জীৱন-যাত্ৰাৰ বাবে এক সুন্দৰ বাতাৱৰণ লাভ কৰে, সেই উদ্দেশ্যে আজি বিতৰণ কৰা এই সামগ্ৰীসমূহ কাৰ্যক্ষম আৰু উপযুক্তভাৱে তদাৰকৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে পৌৰসভাসমূহক আহ্বান জনায়। অসমৰ জনসাধাৰণে বৰ্তমান সময়ত ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত যি মনোবল আৰু শৃংখলাবদ্ধতা প্ৰদৰ্শন কৰিছে, পৰিষ্কাৰ-পৰিচ্ছন্নতাক অগ্ৰাধিকাৰ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

দিছে, সেই ধাৰা অব্যাহত ৰাখি নিজৰ নিজৰ অঞ্চলসমূহক পৰিচ্ছন্ন কৰি ৰখাত ৰাইজে আন্তৰিকতাৰে সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

সামাজিক দূৰত্ব বৰ্তাই ৰখাৰ বাবে অনুষ্টুপীয়াকৈ আয়োজিত আজিৰ অনুষ্ঠানত ৰাজ্যৰ বিত্ত, স্বাস্থ্য, গড়কাপ্টানি ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী পীযুষ হাজৰিকা, দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী যোগেন মহন, ৰাজ্যসভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী আৰু বিধায়ক প্ৰশান্ত ফুকনকে ধৰি নগৰ উন্নয়ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকল তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৌৰসভাসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১০/০৬/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in